**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-11-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে ভাৰত ধম্মৰ পৱিত্ৰ ভূমি আৰু প্ৰত্যেক যুগতে এই পৱিত্ৰ ভূমিত মহান গুৰু আৰু সাধকৰ জন্ম হৈছে।

২। উচ্চতম ন্যায়ালয়ে আজি এটা সংখ্যাগৰিষ্ঠ ৰায়েৰে সকলো ব্যক্তিগত সম্পত্তি সম্প্ৰদায়ৰ ভৌতিক সম্পদৰ অংশ নহয়, যিবোৰ সংবিধানৰ ৩৯ (খ) অনুচ্ছেদৰ অধীনত চৰকাৰে পুনৰ বিতৰণ কৰিব পাৰে।

৩। বিদেশ মন্ত্ৰী ড° এছ্ জয়শংকৰে কানাডাত হিন্দু মন্দিৰৰ ওপৰত হোৱা আক্ৰমণৰ ঘটনাক চিন্তাজনক বুলি অভিহিত কৰিছে।

৪। কেন্দ্ৰীয় জাহাজ পৰিবহণ আৰু বন্দৰ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কৈছে যে সামুদ্ৰিক উদ্যোগত ভাৰতৰ সম্ভাৱনাই সামুদ্ৰিক অৰ্থনীতিত আমুল পৰিৱৰ্তন আনিব।

আৰু

৫। চাৰিদিনীয়া ষট পূজা ‘নহায়-খায়’ ৰীতিৰে আজি আৰম্ভ হৈছে। সূৰ্য উপাসনাৰ এই উৎসৱ ৮ নৱেম্বৰত সামৰণি পৰিব।

0000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে ভাৰত ধম্মৰ পৱিত্ৰ ভূমি আৰু প্ৰত্যেক যুগতে এই পৱিত্ৰ ভূমিত মহান গুৰু আৰু সাধকৰ জন্ম হৈছে। নতুন দিল্লীত আজি প্ৰথম এছিয় বৌদ্ধ শীৰ্ষ সন্মিলত ভাষণ দি ৰাষ্ট্ৰপতিগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে এই পথ প্ৰদৰ্শকসকলৰ মাজত ভগৱান বুদ্ধৰ অন্যন্য স্থান আছে। তেওঁ কয় যে বুদ্ধ গয়াৰ বোধিবৃক্ষৰ তলত সিদ্ধাৰ্থ গৌতমে জ্ঞান লাভ কৰাটো ইতিহাসৰ অভূতপূৰ্ব ঘটনাৰূপে বিবেচিত হৈ আহিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে বিশ্ব সম্প্ৰতি বিভিন্ন ক্ষেত্ৰত অস্তিত্বৰ সংকটত ভোগাৰ এই সময়ত বৌদ্ধ সম্প্ৰদায়ৰ মানৱ জাতিক যথেষ্ট দিব পাৰে। এছিয়াক শক্তিশালী কৰি তোলাত বৌদ্ধ ধৰ্মৰ ভূমিকা আৰু বৌদ্ধ ধৰ্মই এছিয়া তথা বিশ্বলৈ কেনেকৈ বাস্তৱিক শান্তি ঘূৰাই আনিব পাৰে, তাক লৈ চৰ্চা কৰাৰ আৱশ্যকতা আছে বুলি শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰে। শান্তি আৰু অহিংসাই বৌদ্ধ ধৰ্মৰ মূল মন্ত্ৰ বুলি অভিহিত কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে বিশ্বক কৰুণাৰ প্ৰয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰে।

সাংস্কৃতিক মন্ত্ৰালয়ে বৌদ্ধ ধৰ্মৰ সন্মানাৰ্থে আন্তঃৰাষ্ট্ৰীয় বৌদ্ধ পৰিসংঘৰ সহযোগত এই দুদিনীয়া সন্মিলনৰ আয়োজন কৰিছে। সন্মিলনৰ মূল বিষয়বস্তু হৈছে – এছিয়াক শক্তিশালী কৰি তোলাত বৌদ্ধ ধম্মৰ ভূমিকা।

0000000

উচ্চতম ন্যায়ালয়ে আজি এটা সংখ্যাগৰিষ্ঠ ৰায়েৰে সকলো ব্যক্তিগত সম্পত্তি সম্প্ৰদায়ৰ ভৌতিক সম্পদৰ অংশ নহয়, যিবোৰ সংবিধানৰ ৩৯ (খ) অনুচ্ছেদৰ অধীনত চৰকাৰে পুনৰ বিতৰণ কৰিব পাৰে। অৱশ্যে সম্প্ৰদায়ৰ বাবে অতিকে গুৰুত্বপূৰ্ণ আৰু উপযোগী বুলি বিবেচিত হ’লে একাংশ ব্যক্তিগত সম্পত্তি এই শ্ৰেণীত অন্তৰ্ভুক্ত হ’ব

পাৰে। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড় নেতৃত্বাধীন এখন ৯জনীয়া বিচাৰপীঠৰ ৮ গৰাকী সদস্যই ৰায়টোৰ সপক্ষে মত প্ৰকাশ কৰে। বিচাৰপীঠখনৰ সদস্য ন্যায়াধীশ নাগৰত্নাই আংশিকভাৱে সন্মতি প্ৰকাশ কৰাৰ বিপৰীতে ন্যায়াধীশ ধুলীয়াই অসন্মতি প্ৰকাশ কৰে। উচ্চতম ন্যায়ালয়ৰ এই ৰায়ৰ ফলত ব্যক্তিগত সম্পত্তিক ব্যাপকভাৱে সম্প্ৰদায়ৰ সম্পত্তি বুলি পূৰ্বতে দিয়া ব্যাখ্যা  বাতিল হৈছে। এই ক্ষেত্ৰত পূৰ্বৰ ব্যাখ্যা বাধ্য-বাধক নাছিল বুলি ৰায়টোত উল্লেখ কৰা হৈছে।

০০০০০০০০০

বিশ্ব বৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ আজি ত্ৰয়োদশ মৃত্যু বাৰ্ষিকী। ২০১১ চনৰ আজিৰ দিনটোতেই অনুৰাগীক শোকাহত কৰি শিল্পীগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰিছিল। ড° হাজৰিকাৰ মৃত্যু বাৰ্ষিকীত ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচীৰে শিল্পীগৰাকীক সোঁৱৰণ কৰা হৈছে। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত গুৱাহাটীৰ জালুকবাৰীত থকা শিল্পীগৰাকীৰ সমাধিস্থলত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সমাধিস্থলত পুৱা চাৰে ৯ বজাৰ পৰা স্মৃতিচাৰণ সভা আৰু সৰ্বধৰ্ম প্ৰাৰ্থনা অনুষ্ঠিত হয়। স্মৃতিচাৰণ সভাত মন্ত্ৰী অজন্তা নেওগ মুখ্য অতিথি হিচাপে উপস্থিত থাকে।  শিল্পীজনাৰ সন্মানাৰ্থে গীত-নৃত্যৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। দীঘলীপুখুৰী পাৰত থকা প্ৰতিমূৰ্তিস্থলীত সদৌ অসম ছাত্ৰ সন্থাই ১০ হেজাৰ বন্তি প্ৰজ্বলন কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। ছাত্ৰ সন্থাই শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি হিচাপে ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। ড° ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকীৰ লগত সংগতি ৰাখি আজি দিনজোৰা কাৰ্যসূচীৰে গণেশপাৰা মিলনজ্যোতি সংঘৰ খেলপথাৰত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আনহাতে আজি দিনৰ ২ বজাৰ পৰা ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা আৰু সন্ধিয়া ৫ বজাত মুকলি সভা তথা বঁটা বিতৰণী সভা অনুষ্ঠিত হ'ব।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ ত্ৰয়োদশ মৃত্যু বাৰ্ষিকীত শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে কৈছে যে ভূপেন হাজৰিকা অনন্ত কাললৈ অসমৰ আকাশত উজ্জ্বল নক্ষত্ৰ হৈ জীয়াই থাকিব। ভৱিষ্যত প্ৰজন্মই চিৰবন্দিত শিল্পীজনাক অমূল্য অৱদানৰাজিৰে সময়ৰ সোঁতত কঢ়িয়াই লৈ গৈ থাকিব বুলি শ্ৰী শৰ্মাই প্ৰকাশ কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও মৃত্যুবাৰ্ষিকী উপলক্ষে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাক শ্ৰদ্ধাৰে স্মৰণ কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত গৃহমন্ত্ৰীগৰাকীয়ে কয় যে যুগজয়ী শিল্পীগৰাকীয়ে সংগীতৰ জৰিয়তে আমাৰ সংস্কৃতি আৰু ভাষাৰ মাহাত্ম্য প্ৰকাশ কৰি দেশক ঐক্যবদ্ধ কৰাত অৰিহণা যোগাইছিল। ড° হাজৰিকাৰ মহান সৃষ্টিৰাজি ভৱিষ্যত প্ৰজন্মৰ বাবে চিৰদিন অনুপ্ৰেৰণাৰ অনন্য উৎস হৈ থাকিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০০

বিদেশ মন্ত্ৰী ড° এছ্ জয়শংকৰে কানাডাত হিন্দু মন্দিৰৰ ওপৰত হোৱা আক্ৰমণৰ ঘটনাক চিন্তাজনক বুলি অভিহিত কৰিছে। অষ্ট্ৰেলিয়াৰ বিদেশ মন্ত্ৰী পেনি ৱঙৰ সৈতে আজি পুৱা কেনবেৰাত যুটীয়া সংবাদমেলক সম্বোধন কৰি ড° জয়শংকৰে কানাডাত সন্ত্ৰাসবাদী শক্তিসমূহক ৰাজনৈতিক শৰণ দিয়াক লৈ উদ্বেগ প্ৰকাশ কৰে। তেওঁ কয় যে কানাডাত কোনোধৰণৰ বিশেষ তথ্য অবিহনে অভিযোগ উত্থাপন কৰাৰ অভ্যাসত পৰিণত হৈছে। কানাডাত ভাৰতীয় কূটনীতিবিদসকলৰ ওপৰত নজৰ ৰখাৰ ঘটনা গ্ৰহণযোগ্য নহয় বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। কেনবেৰাত হিন্দু মন্দিৰৰ ওপৰত হোৱা আক্ৰমণ সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত অষ্ট্ৰেলিয়াৰ বিদেশমন্ত্ৰীগৰাকীয়ে কয় যে এই আক্ৰমণ ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ বাবে নিৰাশাজনক। তেওঁ কয় যে আস্থা সংস্কৃতি নিৰ্বিশেষে

সকলো অষ্ট্ৰেলিয়াৰ নাগৰিকৰ সুৰক্ষা আৰু সন্মানৰ অধিকাৰ আছে। ইয়াৰ পূৰ্বে ড° এছ্ জয়শংকৰে অষ্ট্ৰেলিয়াৰ বিদেশমন্ত্ৰীগৰাকীৰ সৈতে ভাৰত আৰু অষ্ট্ৰেলিয়াৰ বিদেশ মন্ত্ৰী পৰ্যায়ৰ পঞ্চদশ আলোচনাত অংশ লয়। মন্ত্ৰী দুগৰাকীয়ে ভাৰত আৰু অষ্ট্ৰেলিয়াৰ চৌপাশ, ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চল, পশ্চিম এছিয়া, ইউক্ৰেইন আৰু গোলকীয় কৌশলগত প্ৰেক্ষাপটক লৈ আলোচনা কৰে। আলোচনাৰ অন্তত ড° জয়শংকৰে সামাজিক মাধ্যমযোগে কয় যে ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ সৰ্বাত্মক কৌশলগত সহযোগিতা নিৰন্তৰ বৃদ্ধি পাইছে। দুয়ো দেশৰ মাজৰ শক্তিশালী ৰাজনৈতিক সম্পৰ্ক, প্ৰতিৰক্ষা-সুৰক্ষা সহযোগিতা, সম্প্ৰসাৰিত বাণিজ্য আৰু ঘনিষ্ঠ শৈক্ষিক সহযোগিতাৰ পৰা এই কথা প্ৰতিফলিত হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ooooooooo

কেন্দ্ৰীয় জাহাজ, পৰিবহণ আৰু বন্দৰ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে সামুদ্ৰিক উদ্যোগত ভাৰতৰ সম্ভাৱনাই সামুদ্ৰিক অৰ্থনীতিত আমুল পৰিৱৰ্তন আনিব, যাৰ ফলত এই উদ্যোগ অমৃত কালৰ সময়ত সামুদ্ৰিক বাণিজ্যৰ বাবে গন্তব্যস্থানত পৰিণত হ'ব। আজি চেন্নাইত অনুষ্ঠিত The Week Maritime সন্মিলনত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰাচীন কালত সামুদ্ৰিক বাণিজ্যৰ সময়ত তামিলনাডু বিশ্বৰ ভিতৰতে অন্যতম মুখ্য গন্তব্যস্থান আছিল। তেওঁ লগতে কয় যে কেন্দ্ৰীয় চৰকাৰে আৰু অধিক নিযুক্তিৰ সৃষ্টি, সম্পদ আৰু বহনক্ষম দৃষ্টিভংগীৰে পূৰ্বৰ সেই ঐতিহ্য ঘূৰাই আনিবলৈ আগ্ৰহী। বিগত বৰ্ষত চৰকাৰে ১০০ বিলিয়ন ডলাৰ পৰ্যন্ত বিনিয়োগ আকৰ্ষিত কৰিছিল বুলিও মন্ত্ৰীজনে উল্লেখ কৰে। ভাৰত-মধ্য প্ৰাচ্য-ইউৰোপ কৰিড'ৰ বিকশিত কৰাৰ দিশত G 20 ত ভাৰতৰ প্ৰতিশ্ৰুতিৰ কথা স্মৰণ কৰি শ্ৰী সোণোৱালে কয় যে ভাৰতক সুস্থ আন্তঃগাঁথনিৰে সৈতে প্ৰিয় গন্তব্যস্থান হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে সাগৰমালা, সাগৰসেঁতু, সাগৰ সমৃতিৰ দৰে কেতবোৰ প্ৰকল্পৰ কাম আৰম্ভ কৰা হৈছে। দেশৰ ৯ টা বন্দৰ বিশ্ব পৰ্যায়ৰ স্থানত আছে আৰু ভাৰতৰ জাহাজ নিৰ্মাণ উদ্যোগ বিশ্বৰ শীৰ্ষ ৫ খন দেশৰ ভিতৰত স্থান পাব বুলি মন্ত্ৰীজনে আশা প্ৰকাশ কৰিছে। ভাৰতৰ আভ্যন্তৰীণ জলপথ দেশখনৰ অৰ্থনৈতিক বিকাশৰ অন্যতম পথ হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

ooooooooo

হাৰিয়ানা, ত্ৰিপুৰা আৰু মিজোৰামৰ গ্ৰাম্য স্থানীয় নিকায়সমূহৰ বাবে কেন্দ্ৰই ২০২৪-২৫ বিত্তীয় বৰ্ষত পঞ্চদশ বিত্ত আয়োগৰ অনুদান মুকলি কৰিছে। হাৰিয়ানাৰ পঞ্চায়তী ৰাজ প্ৰতিষ্ঠান আৰু গ্ৰাম্য স্থানীয় নিশ্চয়সমূহক প্ৰথম কিস্তিৰ অংশ হিচাপে প্ৰায় ১৯৫ কোটি টকাৰ অনুদান প্ৰদান কৰা হৈছে। ৰাজ্যখনৰ ১৮ খন যোগ্য জিলা পঞ্চায়ত, ১৩৯ ব্লক পঞ্চায়ত আৰু ৫,৯১১ খন গ্ৰাম পঞ্চায়তে এই অনুদান লাভ কৰিব।

একেদৰে ত্ৰিপুৰাৰ ১২৬০ খন গ্ৰাম্য স্থানীয় নিকায়ৰ বাবে ৩১ দশমিক ৪ - ০ কোটি টকাৰ প্ৰথম কিস্তি আৰু ৪৭ দশমিক ১০ কোটি টকাৰ টাইদ অনুদানৰ প্ৰথম কিস্তি মুকলি কৰি দিয়া হৈছে। মিজোৰামৰ স্বায়ত্তশাসিত জিলা পৰিষদ অঞ্চলসমূহকে ধৰি ৮৩৪ খন গাঁও পৰিষদৰ বাবে ২০২২-২৩ বিত্তীয় বৰ্ষৰ দ্বিতীয় কিস্তিৰ ১৪ দশমিক ২ - ০ কোটি টকা আৰু ২০২২-২৩ বৰ্ষৰ টাইড অনুদানৰ দ্বিতীয় কিস্তিৰ ২১ দশমিক ৩ - ০ কোটি টকাৰ অনুদান মুকলি কৰি দিয়া হৈছে।

ooooooooo

ৰাজ্যৰ পাঁচটা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা হিমন্ত বিশ্ব শৰ্মাই আজি ধলাই বিধানসভা সমষ্টিত

বিজেপি প্ৰাৰ্থী নিহাৰ ৰঞ্জন দাসৰ হৈ প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰী শৰ্মাই কয় যে ধলাই সমষ্টিত বিজেপিৰ উন্নয়নমূলক নীতিৰ পৰা যথেষ্ট লাভান্বিত হৈছে।

কালি কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকীৰ হৈ দলটোৰ কেন্দ্ৰীয় নেতা জিতেন্দ্ৰ সিঙে সমষ্টিটোত নিৰ্বাচনী প্ৰচাৰ চলায়। এই সভাত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, বিধায়ক খলিলউদ্দিন মজুমদাৰকে ধৰি কংগ্ৰেছৰ কেইবাজনো নেতাই অংশগ্ৰহণ কৰে। বিধানসভাত বিধোৰী পক্ষৰ নেতা তথা কংগ্ৰেছ বিধায়ক দেৱব্ৰত শইকীয়াই কালি বঙাইগাঁও সমষ্টিৰ দলীয় প্ৰাৰ্থীগৰাকীৰ হৈ চিৰাঙৰ বৈখুন গাঁৱত নিৰ্বাচনী প্ৰচাৰ চলায়। নেতাগৰাকীয়ে এইবাৰ বঙাইগাঁও সমষ্টিত কংগ্ৰেছে এইবাৰ ভাল ফলাফল দেখুৱাব বুলিও আশা প্ৰকাশ কৰে। ইপিনে, এ আই ইউ ডি এফৰ নেতা বদৰুদ্দিন আজমলে ৰাজ্যখনৰ আসন্ন উপ-নিৰ্বাচনত ধৰ্ম নিৰপেক্ষ প্ৰাৰ্থীৰ হকে ভোটদান কৰিবলৈ আহ্বান জনাইছে। নেতাগৰাকীয়ে কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত এইদৰে আহ্বান জনায়। উল্লেখযোগ্য যে এ আই ইউ ডি এফে উপ নিৰ্বাচনত প্ৰাৰ্থী প্ৰক্ষেপ কৰা নাই।

ooooooooo

চাৰিদিনীয়া ষট পূজা 'নহায়-খায়' ৰীতিৰে আজি আৰম্ভ হৈছে। সূৰ্য উপাসনাৰ এই উৎসৱ ৮ নৱেম্বৰত সামৰণি পৰিব। এই উৎসৱৰ প্ৰথম দিনা আজি ভক্তসকলে বিভিন্ন নৈ-পুখুৰী আৰু জলাশয়ত পৱিত্ৰ স্নান সম্পন্ন কৰে। সূৰ্য দেৱতাৰ উপাসনাৰ পাছত তেওঁলোকে প্ৰসাদ গ্ৰহণ কৰিব। পৰহিলৈ অস্তগামী সূৰ্য আৰু শুকুৰবাৰে উদিত সূৰ্যলৈ অৰ্ঘ্য অৰ্পণ কৰাৰ লগে লগে এই উৎসৱৰ সামৰণি পৰিব।

ooooooooo

**সমাপ্ত**